**33T EDUC**

# 2023

# EDUCATION

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

| | |
|---|---|
| *Q. No.* **1** *carries* **1** *mark each* | 1×12 = 12 |
| *Q. No.* **2** *carries* **2** *marks each* | 2×12 = 24 |
| *Q. No.* **3** *carries* **4** *marks each* | 4×10 = 40 |
| *Q. No.* **4** *carries* **6** *marks each* | 6×4 = 24 |
| | Total =100 |

1. Answer the following questions : *(any twelve)* 1×12=12

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ *(যিকোনো বাৰটা)*

(a) *Fill in the blanks :*

*খালী ঠাই পূৰণ কৰা ঃ*

On the basis of the recommendations of ________ Commission Government of Assam constituted 'Assam Higher Secondary Education Council' in 1984.

________ আয়োগৰ পৰামৰ্শৰ আধাৰতেই ১৯৮৪ চনত 'অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ' অসম চৰকাৰে গঠন কৰে।

(b) The word 'Environment' has been derived from the French word ________.

পৰিৱেশ শব্দটো মূল ফৰাছী ভাষাৰ ________ শব্দৰ পৰা আহিছে।

(c) German philosopher Friedrich Nietzsche used the word 'values' for the first time in ________.

________ চনত জাৰ্মান দাৰ্শনিক ফ্ৰেড্ৰিক নিয়েটয়ে পোন প্ৰথম বাৰৰ বাবে 'মূল্যবোধ' শব্দৰ প্ৰয়োগ কৰিছিল।

(d) A student could solve a sum by himself through repeated attempts. Such learning is supported by ________ method of learning.

এজন ছাত্ৰই এটা অংক বহুবাৰ চেষ্টা কৰি নিজেই সমাধান কৰিবলৈ সক্ষম হ'ল। এনে শিক্ষণ প্ৰক্ৰিয়া শিক্ষণৰ ________ পদ্ধতিৰ দ্বাৰা সমৰ্থিত।

(e) According to Gestalt Psychologist, learning is an intellectual activity that involves the power of ________, perception and insight of the learner.

সামগ্ৰীকতাবাদী মনোবিজ্ঞানী সকলৰ মতে শিক্ষণ এক বৌদ্ধিক কাৰ্য্য, যি শিক্ষাৰ্থীৰ ________, অনুভৱ আৰু অন্তৰ্দৰ্শন ক্ষমতাৰ লগত জড়িত হৈ থাকে।

(f) Stimulus has strong influence on ________ attention.

________ মনোযোগত উদ্দীপকৰ তীব্ৰ প্ৰভাৱ থাকে।



- *Give short answer in **one** sentence :*

*এটা বাক্যত উত্তৰ দিয়া ঃ*

(g) In which year the Government of India adopted 'National Policy for the Empowerment of Women'?

কোন চনত ভাৰত চৰকাৰে 'মহিলাৰ সবলীকৰণৰ ৰাষ্ট্ৰীয় নীতি' গ্ৰহণ কৰিছিল?

(h) What is sensory memory?

সংবেদনাত্মক স্মৃতি কাক বোলে?

(i) What is retro-active inhibition?

পশ্চাৎমুখী প্ৰতিৰোধ কি?

(j) What is Mode?

বহুলক কাক বোলে?

(k) Where did the first open school start in India?

ভাৰতবৰ্ষৰ ক'ত প্ৰথম মুক্ত বিদ্যালয় আৰম্ভ হৈছিল?

(l) Seventeen students appeared in a test of mathematics. Eight students failed in the test. The marks of the successful students were—44, 32, 65, 72, 78, 80, 38, 50 and 54. Calculate the median considering the marks of all students.

এটা গণিতৰ পৰীক্ষাত সোতৰজন পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। আঠজন শিক্ষাৰ্থী পৰীক্ষাত অনুত্তীৰ্ণ হৈছিল। উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ নম্বৰসমূহ হৈছে — 44, 32, 65, 72, 78, 80, 38, 50 আৰু 54। সকলো শিক্ষাৰ্থীৰ নম্বৰসমূহ ধৰি মধ্যমা নিৰ্ণয় কৰা।

(m) Write the formula for finding out mode from frequency distribution table.

বাৰংবাৰতা বিভাজন তালিকাৰ পৰা বহুলক নিৰ্ণয় কৰা সূত্ৰটো লিখা।

(n) What is voluntary or volitional attention?

ঐচ্ছিক বা ইচ্ছাকৃত মনযোগ কাক বোলে?

(o) Who was the propounder of Classical Conditioning Theory of learning?

শিক্ষণৰ মৌলিক অনুবন্ধনবাদ তত্ত্বৰ স্ৰষ্টা কোন আছিল?

2. Answer *any twelve* of the following questions : 2×12=24

তলত দিয়া *যিকোনো বাৰটা* প্ৰশ্নৰ উত্তৰ দিয়া ঃ

(a) Write *two* suggestions given by 'Secondary Education Commission' for development of personality of the students.

ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশৰ বাবে 'মাধ্যমিক শিক্ষা আয়োগে' আগবঢ়োৱা *দুটা* পৰামৰ্শ উল্লেখ কৰা।

(b) Write *two* importance of vocationalisation of Secondary Education in India.

ভাৰতবৰ্ষত মাধ্যমিক শিক্ষাক বৃত্তিমুখীকৰণৰ *দুটা* প্ৰয়োজনীয়তা উল্লেখ কৰা।

(c) Write *two* merits of correspondence education.

পত্ৰ বা ডাকযোগে দিয়া শিক্ষাৰ *দুটা* সুবিধা উল্লেখ কৰা।

(d) Write *two* objectives of environmental education.

পৰিবেশ শিক্ষাৰ *দুটা* উদ্দেশ্য উল্লেখ কৰা।

(e) Define the concept of women empowerment.

মহিলা সৱলীকৰণৰ ধাৰণাটো ব্যাখ্যা কৰা।

(f) What is the theory of connectionism in learning?

শিক্ষণৰ সংযোগবাদ তত্ত্ব কি?

(g) Mention *any two* stages involved in the process of memory.

স্মৃতি প্ৰক্ৰিয়াৰ লগত জড়িত *যিকোনো দুটা* পৰ্য্যায় বা স্তৰ উল্লেখ কৰা।

(h) Write *two* objectives of mental hygiene.

মানসিক স্বাস্থ্য বিজ্ঞানৰ *দুটা* উদ্দেশ্য উল্লেখ কৰা।

(i) Find the Mean and Mode from the following data : 1+1=2

তলত দিয়া তথ্যৰাশিৰ পৰা গড় আৰু বহুলক নিৰ্ণয় কৰা ঃ

52, 48, 30, 62, 58, 42, 38, 50

(j) Write *two* merits of Mean as a measurement of central tendency.

কেন্দ্ৰীয় প্ৰৱণতাৰ জোখ হিচাপে গড়ৰ *দুটা* সুবিধা উল্লেখ কৰা।

(k) Write *two* demerits of Median.

মধ্যমাৰ *দুটা* অসুবিধা উল্লেখ কৰা।

(l) "Forgetting is necessary for memory"—Give reasons.

"স্মৃতিৰ বাবে বিস্মৃতিৰ প্ৰয়োজন"—কাৰণ দৰ্শোৱা।



(m) Mention *two* differences between maturation and learning.

পৰিপক্কতা আৰু শিক্ষণৰ মাজত থকা *দুটা* পাৰ্থক্য উল্লেখ কৰা।

(n) Write *two* objectives of Non-formal Education.

অগতানুগতিক শিক্ষাৰ *দুটা* উদ্দেশ্য উল্লেখ কৰা।

(o) Write *two* principles of Environmental Education.

পৰিবেশ শিক্ষাৰ *দুটা* নীতি উল্লেখ কৰা।

(p) What do you mean by value education?

মূল্যবোধৰ শিক্ষা বুলিলে তুমি কি বুজা?

3. Answer *any ten* of the following questions : 4×10=40

তলত দিয়া *যিকোনো দহটা* প্ৰশ্নৰ উত্তৰ দিয়া ঃ

(a) Write *four* defects of secondary education system of India as pointed out by "Secondary Education Commission".

'মাধ্যমিক শিক্ষা আয়োগে' আঙুলিয়াই দিয়া ভাৰতবৰ্ষৰ মাধ্যমিক শিক্ষা ব্যৱস্থাৰ *চাৰিটা* আসোঁৱাহ আলোচনা কৰা।

(b) Discuss *any four* importance of physical education for secondary school students.

মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত প্ৰয়োগ হোৱা শাৰীৰিক শিক্ষাৰ *যিকোনো চাৰিটা* প্ৰয়োজনীয়তা আলোচনা কৰা।

(c) Discuss *any four* needs of population education.

জনসংখ্যা শিক্ষাৰ *যিকোনো চাৰিটা* প্ৰয়োজনীয়তা আলোচনা কৰা।

(d) Discuss the educative value of Trial and Error methods of learning.

প্ৰচেষ্টা আৰু ভুল শিক্ষণ পদ্ধতিৰ শৈক্ষিক মূল্য আলোচনা কৰা।

(e) Write *four* characteristics of insightful learning.

অন্তৰ্দৰ্শন শিক্ষণৰ *চাৰিটা* বৈশিষ্ট্য লিখা।

(f) Discuss the application of law of exercise in the classroom environment.

শ্ৰেণীকক্ষৰ পৰিবেশত অনুশীলনৰ নীতিৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰা।

(g) Discuss *four* physical causes of forgetting.

বিস্মৃতিৰ *যিকোনো চাৰিটা* শাৰীৰিক কাৰণ আলোচনা কৰা।

(h) Discuss *four* characteristics of conditioning learning.

অনুবন্ধন শিক্ষণৰ *চাৰিটা* বৈশিষ্ট্য আলোচনা কৰা।

(i) Define the meaning of Mental Health and Hygiene.

মানসিক স্বাস্থ্য আৰু স্বাস্থ্য-বিজ্ঞানৰ অৰ্থ বাখ্যা কৰা।

(j) Discuss the characteristics of a mentally healthy individual.
মানসিক ভাৱে সুস্থ এজন ব্যক্তিৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(k) What is frequency distribution table? Discuss the various steps followed for classifying or organising scores into a frequency distribution table. 1+3=4
বাৰংবাৰতা বিভাজন তালিকা কাক বোলে? সংগৃহীত তথ্যসমূহ শ্ৰেণীবদ্ধ কৰি বাৰংবাৰতা বিভাজন তালিকা প্ৰস্তুত কৰোতে প্ৰয়োজন হোৱা বিভিন্ন পৰ্য্যায়সমূহ আলোচনা কৰা।

(l) What is graphical representation of data? Discuss the general principles of graphical representation of data.
সামগ্ৰীৰ লেখচৈত্ৰিক প্ৰতিনিধিত্ব কাক বোলে? লেখচিত্ৰ প্ৰতিনিধিত্বৰ সাধাৰণ নীতিসমূহ আলোচনা কৰা।

(m) Draw a histogram and polygon on the same axis from the following table: *(use graph paper)*
তলত দিয়া তালিকাৰ তথ্যসমূহৰ পৰা একে অক্ষৰেখা ব্যৱহাৰ কৰি এটা আয়তচিত্ৰ আৰু বহুভুজ অংকন কৰা ঃ *(লেখ কাগজ ব্যৱহাৰ কৰিবা)*

| Class Interval (শ্ৰেণী বিভাজন) | Frequency (বাৰংবাৰতা) |
|---|---|
| 60-64 | 2 |
| 55-59 | 3 |
| 50-54 | 6 |
| 45-49 | 10 |
| 40-44 | 7 |
| 35-39 | 5 |
| 30-34 | 3 |
| | *N* = 36 |

(n) "Attention and interest are like two sides of the same coin" —Explain.
"মনোযোগ আৰু আগ্ৰহ একেটা মুদ্ৰাৰে দুটা পিঠি সদৃশ"। ব্যাখ্যা কৰা।

4. Answer *any four* of the following questions: 6×4=24
তলত দিয়া *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ দিয়া ঃ

(a) What do you mean by secondary education? Discuss about the development of secondary education in Assam after independence. 1+5=6



মাধ্যমিক শিক্ষা বুলিলে কি বুজা? স্বাধীনতাৰ পিছত অসমত মাধ্যমিক শিক্ষাৰ বিকাশ সম্পৰ্কে আলোচনা কৰা।

(b) What is non-formal education? Discuss the salient features of non-formal education. 1+5=6
অগতানুগতিক শিক্ষা কাক বোলে? অগতানুগতিক শিক্ষাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(c) What is distance education? Discuss the significant aspects of distance education. 1+5=6
দূৰ শিক্ষা কাক বোলে? দূৰ শিক্ষাৰ তাৎপৰ্য্যপূৰ্ণ দিশসমূহ আলোচনা কৰা।

(d) What is memory? Discuss the marks of a good memory. 2+4=6
স্মৃতি কাক বোলে? ভাল স্মৃতিৰ লক্ষণসমূহ আলোচনা কৰা।

(e) What do you mean by learning? Discuss the important factors of learning. 2+4=6
শিক্ষণ বুলিলে কি বুজা? শিক্ষণৰ গুৰুত্বপূৰ্ণ চৰ্তসমূহ আলোচনা কৰা।

(f) Find out Quartile Deviation from the following distribution table: 2+2+2=6
তলৰ বাৰংবাৰতা বিভাজন তালিকাৰ পৰা চতুৰ্থক বিচ্যুতি নিৰ্ণয় কৰা ঃ

| Class Interval (শ্ৰেণী বিভাজন) | Frequency (বাৰংবাৰতা) |
|---|---|
| 85-89 | 2 |
| 80-84 | 3 |
| 75-79 | 5 |
| 70-74 | 7 |
| 65-69 | 8 |
| 60-64 | 12 |
| 55-59 | 7 |
| 50-54 | 6 |
| 45-49 | 4 |
| 40-44 | 3 |
| 35-39 | 3 |
| | *N* = 60 |

———×———